# যুবাঙ্গন

জীৱনৰ ৰণাঙ্গনত যুৱশক্তিৰ আলোড়ন

YUBANGAN ◆ DIBRUGARH UNIVERSITY INTER COLLEGE YOUTH FESTIVAL 2025-26 ◆ NEWSLETTER ◆ 30th JANUARY 2026

## অধ্যক্ষৰ একলম



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬-ৰ তৃতীয় দিনটো আজি দুলীয়াজান মহাবিদ্যালয়ৰ আতিথ্যত অতি উৎসাহ-উদ্দীপনাৰে আৰু শিল্পসন্মতভাৱে উদযাপিত হৈছে। এই মহোৎসৱখনৰ সফল আয়োজনৰ দ্বাৰা আমাৰ শিক্ষানুষ্ঠান গৌৰৱান্বিত হোৱাৰ লগতে সমগ্ৰ অঞ্চলটো এক সাংস্কৃতিক মিলনক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে। 'জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ'ত অনুষ্ঠিত এই মহোৎসৱখন কেৱল প্ৰতিযোগিতাৰ মাজতে সীমাবদ্ধ নহয়, ই হৈছে যুৱপ্ৰজন্মৰ প্ৰতিভা, অনুশীলন আৰু সৃষ্টিশীল চেতনাৰ এক উজ্জ্বল প্ৰকাশ।

আজিৰ তৃতীয় দিনটোত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ ভিতৰত দলীয় লোকনৃত্য, আধুনিক গীত, জুবিন গীত, বক্তৃতা (Elocution), তৰ্ক, বৰগীত, খোল বাদন, মৃৎ শিল্প (Clay Modeling), ৰংগুলি, ফটোগ্ৰাফী আৰু ইনষ্টলেচন বিশেষভাৱে উল্লেখযোগ্য। ছটা ভিন্ন মঞ্চত একে সময়তে এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হোৱাত সমগ্ৰ পৰিৱেশটোৱে এক উৎসৱমুখৰ ৰূপ ধাৰণ কৰিছে। সন্ধ্যাৰপৰা আয়োজিত তৃতীয় নিশাৰ একাংকিকা নাটৰ প্ৰতিযোগিতাও আন এক বিশেষভাৱে আকৰ্ষণীয় অনুষ্ঠান হিচাপে পৰিগণিত হৈছে।

প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা প্ৰতিটো দল আৰু প্ৰতিযোগীয়ে অনুষ্ঠান পৰিৱেশনৰ সময়ত যি নিপুণতা আৰু আত্মবিশ্বাস প্ৰদৰ্শন কৰিলে, সেয়া অতিশয় প্ৰশংসনীয়। দলীয় লোকনৃত্যত অসমৰ লোক-জীৱন, সংস্কৃতি আৰু পৰম্পৰাৰ সুন্দৰ প্ৰতিফলন দেখিবলৈ পোৱা গ'ল। আধুনিক গীত আৰু জুবিন গীতৰ মাধ্যমেৰে যুৱসমাজৰ আবেগ, অনুভৱ আৰু সামাজিক সচেতনতা সুন্দৰভাৱে প্ৰকাশ পালে। বৰগীত আৰু খোল বাদনৰ দৰে শাস্ত্ৰীয় আৰু পৰম্পৰাগত শিল্পৰ উপস্থাপনে অসমীয়া সাংস্কৃতিক ঐতিহ্যৰ গভীৰতা আৰু গাম্ভীৰ্য অনুভৱ কৰালে।

বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলে সমসাময়িক সামাজিক, ৰাজনৈতিক আৰু নৈতিক বিষয়সমূহত যি প্ৰাঞ্জল চিন্তা আৰু যুক্তিসংগত মতামত আগবঢ়ালে, সি আমাৰ ভৱিষ্যত সমাজখনৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনে। আনহাতে, মৃৎ-শিল্প, ৰংগুলি, ফটোগ্ৰাফী আৰু ইনষ্টলেচনৰ দৰে দৃশ্যশিল্পসমূহে যুৱসমাজৰ সৃজনশীল দৃষ্টিভংগী, সৌন্দৰ্যবোধ আৰু কল্পনাশক্তিৰ উজ্জ্বল পৰিচয় দাঙি ধৰিলে। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাসী উপস্থাপন, শালীন আচৰণ আৰু পাৰস্পৰিক সৌহাৰ্দ্যই আমাৰ শিক্ষাদৰ্শনৰ সফলতা প্ৰতিফলিত কৰে।

আয়োজক শিক্ষানুষ্ঠান হিচাপে দুলীয়াজান মহাবিদ্যালয়ৰ বাবে এই মহোৎসৱখন এক বিশেষ আৰু চিৰস্মৰণীয় অভিজ্ঞতা। এই বৃহৎ আয়োজন সফলভাৱে সম্পন্ন কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্বেচ্ছাসেৱক তথা শিক্ষাৰ্থীসকলৰ সমন্বিত প্ৰচেষ্টাই এক অনন্য দৃষ্টান্ত প্ৰতিষ্ঠা কৰিছে। সকলোৱে আন্তৰিক সহযোগিতা, শৃংখলা আৰু দায়িত্ববোধৰ ফলতেই আজিৰ এই উৎসৱমুখৰ পৰিৱেশ সম্ভৱ হৈছে।

আয়োজক মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে মই ব্যক্তিগতভাৱে এই মহোৎসৱৰ সৈতে জড়িত প্ৰতিটো মুহূৰ্তত গভীৰ সন্তুষ্টি, গৌৰৱ আৰু আনন্দ অনুভৱ কৰিছোঁ। আমাৰ শিক্ষানুষ্ঠানে যুৱসমাজৰ প্ৰতিভা বিকাশৰ বাবে এক মঞ্চ প্ৰদান কৰিব পাৰিছে বুলি ভাবিলে মনটো গৌৰৱেৰে ভৰি উঠে। এই যুৱ মহোৎসৱখন কেৱল প্ৰতিযোগিতাৰ এক শৃংখলা নহয়; ই হৈছে শিকাৰ, আদান-প্ৰদান আৰু বন্ধুত্বৰ এক মহোৎসৱ। বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে ইয়াত মিলিত হৈ নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ লগতে পৰস্পৰৰ সংস্কৃতি, চিন্তা আৰু অনুভৱ বুজি পোৱাৰ সুযোগ লাভ কৰিছে। এনে অনুষ্ঠানসমূহে যুৱসমাজক কেৱল মেধাৱী নহয়, মানসিক আৰু সামাজিকভাৱেও সমৃদ্ধ কৰি তোলে। এনে সৃজনশীল, সাংস্কৃতিক আৰু শিক্ষামূলক অনুষ্ঠানৰ জৰিয়তে আমাৰ যুৱসমাজে নতুন দিশ, নতুন স্বপ্ন আৰু নতুন সম্ভাৱনাৰ সন্ধান লাভ কৰক—এয়ে মোৰ আন্তৰিক কামনা।

- ড° লোক বিকাশ গগৈ

## শ্ৰদ্ধাৰ্ঘ



### কবি

কবি মই চিৰন্তন
অবাক অৱধাৰিত গুঞ্জন
অন্তহীন স্ফুৰণ,
অস্থিৰ, উন্মাদ
পাৰ কৰি চেতন, অৱচেতন

কাঞ্চনজংঘা কোনো পৰ্বত শিখৰ নহয়।
কাঞ্চনজংঘা মোৰ মনটো।
সপোন আৰু উচ্চাকাংক্ষাৰ চূড়ান্ত শিখৰ
হৈছে কাঞ্চনজংঘা।

স্বাধীনতাৰ বুজ লওঁতেই এশ বছৰ গ'ল
বিষ্ণু-জ্যোতিৰ জোনাকী দেশ এতিয়াও নহ'ল।
মানৱৰ মাজতে আজি দানৱৰ হুংকাৰ
পঢ়া-শুনা সংস্কৃতি সকলো অসাৰ
এয়াই জানো সপোন আছিল কুৰি শতিকাৰ
সকলোতে মাথোঁ প্ৰশ্ন অনিয়ম অনাচাৰ।।

- জুবিন গাৰ্গ

## ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ আজি তৃতীয় দিন

### উদুলি মুদুলি দুলীয়াজান মহাবিদ্যালয়ৰ "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"

### কাইলৈ অনুষ্ঠিত হ'ব সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা আৰু বঁটা বিতৰণী আৰু সামৰণী অনুষ্ঠান।

**"জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ " ৰ পৰা যুবাঙ্গনৰ প্ৰতিনিধি, ৩০ জানুৱাৰী :** ডিব্রুগড় বিশ্ববিদ্যালয় ২০২৫–২৬ বৰ্ষৰ আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱৰ কাইলৈ সামৰণি পৰিব । বিগত দুটা দিনৰ দৰে আজিও দুলীয়াজান মহাবিদ্যালয়ৰ "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ত উজনি অসমৰ ৬৩ খন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ–ছাত্ৰী আৰু শিক্ষক প্ৰতিনিধি সকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হয় । ইফালে আজি প্ৰতিযোগিতাৰ অন্তিমটো দিনত পুৱা ৯ বজাৰ পৰা "জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ"ৰ মূল প্ৰেক্ষাগৃহ পূৰ্ণকান্ত হাজৰিকা সোঁৱৰণী মঞ্চ,বীৰেন চুতীয়া সোঁৱৰণী মঞ্চ, জ্যোতি প্ৰসাদ চেতিয়া সোঁৱৰণী মঞ্চ, দীপক গগৈ সোঁৱৰণী মঞ্চ,কে. বি কানুগা সোঁৱৰণী মঞ্চ আৰু অজিত বৰগোহাঁই সোঁৱৰণী মঞ্চত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয় । আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱৰ কাইলৈ সামৰণিৰ দিনা পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । উদ্বোধন কৰিব ৰজত কমল বঁটা বিজয়ী পৰিচালক,বিশিষ্ট অভিনেতা যদুমনি দত্তই । আনহাতে দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'ব বঁটা বিতৰণী আৰু সামৰণী অনুষ্ঠান । এই অনুষ্ঠানতভাৰত চৰকাৰৰ বন্দৰ, জাহাজ আদি বিভাগৰ কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোনোৱাল বিশেষ অতিথি,নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন সন্মানীয় অতিথি,অইল ইণ্ডিয়া লিমিটেডৰ মানৱ সম্পদ বিভাগৰ কাৰ্য্যবাহী সঞ্চালক মাধুৰ্য প্ৰসাদ বৰুৱা,অসম কলেজ অধ্যক্ষ পৰিষদ সভাপতি ড° ধৰ্মেন্দ্ৰ নাথ, অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি ড° বিপুল চক্ৰবৰ্তী,অসম কলেজ কৰ্মচাৰী সংস্থাৰ সভাপতি তুলসী শইকীয়া, অসম কলেজ গ্ৰন্থগাৰিক সংস্থাৰ সভাপতি ড° বিভূতি চৌধুৰী, অসম মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বৰা, দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল সূত, নামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুৰ্গা প্ৰসাদ গগৈ, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰ, টেঙাখাট মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ যতীন গগৈ, খোৱাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ত্ৰৈলোক্য দিহিঙীয়া, ডি. এইচ. এছ, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডি. এইচ. এছ, কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈ, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, মনোহাৰী দেবী কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালী, টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈ, পিথুবৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰভী গোহাঁই দুৱৰা, নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁই, ডি. ডি. আৰ. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ বড়া, মৰাণ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আইভিলতা চুতীয়া, লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ জ্যোতিপ্ৰসাদ দত্ত আদি বিশিষ্ট ব্যক্তি সকল অতিথি হিচাপে উপস্থিত থাকিব।

## Where Youth Meets the Human Spirit:

### Reflections from the Dibrugarh University Youth Festival



The three vibrant days of the Dibrugarh University Inter-College Youth Festival, hosted at Duliajan College, unfolded as a powerful celebration of youthfulness, creativity, and shared human experience. More than a sequence of competitions, the festival emerged as a living space where energy, emotion, and expression converged.

In an age increasingly shaped by screens, algorithms, and virtual connections, the Dibrugarh University Youth Festival stood out as a compelling reminder of the irreplaceable value of human creativity and collective presence. Organised under the aegis of Dibrugarh University, the festival proved to be far more than a cultural event—it became a vibrant platform where tradition, talent, and technology met in meaningful harmony.

Today's youth often express themselves through reels, posts, and pixels. The Youth Festival gently but powerfully draws students out of the virtual realm and onto a shared physical stage—where music, dance, theatre, literature, and fine arts are experienced live and unfiltered. Such real-time engagement nurtures confidence, empathy, teamwork, and authenticity—qualities no digital filter can truly replicate.

At the same time, the festival does not resist the digital age; instead, it embraces it thoughtfully. Performances are recorded, shared, and archived online, allowing regional talent and cultural heritage to reach wider, even global, audiences. In doing so, the festival evolves continuously, harnessing the creative potential of the digital era without losing its cultural soul.

This vision was eloquently articulated by Jiten Hazarika, Vice Chancellor of Dibrugarh University, in his inaugural address. He aptly highlighted the need to introduce digitally-led competitions within the festival framework without displacing traditional forms. Such a balanced integration, combining digital innovation with classical cultural expressions, promises to create a synergistic ecosystem that empowers students to become thoughtful, innovative creators in the 21st-century digital landscape.

The Dibrugarh University Youth Festival thus stands not merely as an annual event, but as a celebration of the human spirit—rooted in tradition, alive in the present, and confidently stepping into the future.

**- Jyoti Singh Pathak**
Vice- Principal , Duliajan College

# অনুভৱৰ কৰণি



যোৱা তিনিটা দিনৰ অভিজ্ঞতাই আমাৰ মনৰ আশাবিলাক পুনৰ সজীৱ কৰি তুলিছে । প্ৰতিজন অংশগ্ৰহণকাৰীৰ প্ৰতিযোগিতাসমূহত যি ঐকান্তিক প্ৰচেষ্টা, সেয়া দেখা পাই অনুভৱ হৈছে জুবিনে এৰি থৈ যোৱা অসমৰ সংস্কৃতিৰ পথাৰখন নিশ্চয় পুনৰ উজ্বলি উঠিব । এনে এক পৰিঘটনা আমাৰ বাবে নিশ্চয় গৌৰৱৰ বিষয় । প্ৰতিজন প্ৰতিযোগীলৈ আমাৰ শুভেচ্ছা জনালোঁ আৰু তেওঁলোকৰ প্ৰতিভাৰে অসমৰ সাংস্কৃতিক জগত চহকী কৰিব বুলি আশাৰে বাট চাই ৰলোঁ ।

-ড° হেমন্ত দাস

সহযোগী অধ্যাপক, সমাজতত্ব বিভাগ, দুলীয়াজান মহাবিদ্যালয়



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ বুলি ক'লেই এজাক যুৱ প্ৰতিভাৰ সমাহাৰ৷ এজাক নৱ প্ৰজন্মৰ প্ৰতিভাধৰৰ মিলনস্থলী৷ দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হৈ আছে৷ অংশগ্ৰহণকাৰী ছাত্ৰ ছাত্ৰীসকলৰ লগতে দায়িত্বত অহা শিক্ষাগুৰুসকলৰ বাবেও দুলীয়াজান মহাবিদ্যালয়ৰ বাকৰি সতীৰ্থ সন্মিলনৰ দৰে হৈ পৰিছে৷ ব্যস্ততাপূৰ্ণ প্ৰতিযোগিতাৰ কাৰ্যসূচীৰ বাবে দৌৰা-দৌৰি সকলোৰে হৈছে যদিও সকলোৰে মনত ভাগৰ কিন্তু নাই; তাৰ পৰিবৰ্তে আছে উৎসাহ, উলাহ৷ ভাল লাগি আছে এইকেইদিন ইমানবোৰ প্ৰতিভাৰ সমাবেশত যে আছোঁ৷ প্ৰতিযোগিতাসমূহ সুন্দৰকৈ সমাপন হৈ আছে৷ আমিও দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত এই মহোৎসৱৰ আনন্দ উদযাপন কৰিছোঁ৷ ধন্যবাদ ডিব্ৰুগড় বিশ্ববিদ্যালয়, ধন্যবাদ আয়োজক দুলীয়াজান মহাবিদ্যালয়৷

- ড° কৰবী গগৈ

সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক



ডিব্ৰুগড় জিলাৰ দুলীয়াজানস্থিত ঐতিহ্যমণ্ডিত দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬-ত উপস্থিত থাকি উৎফুল্লিত আৰু আনন্দিত হ'লোঁ । মহাবিদ্যালয়খনিৰ আহল-বহল পৰিৱেশত সৰ্বমুঠ ৭টি মঞ্চত সমান্তৰালভাৱে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাত সফল হৈছে বুলি ক'ব পাৰি । দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলৰ অতিথ্যই সঁচাকৈয়ে মোক অভিভূত কৰিলে ।তৈল নগৰী দুলীয়াজানৰ উচ্চশিক্ষাৰ এই অনুষ্ঠানটি বৌদ্ধিক-সাংস্কৃতিক দিশত অসমৰ ভিতৰত নাম থকা এটি অনুষ্ঠান । গতিকে কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ যুটীয়া প্ৰচেষ্টাত অনুষ্ঠিত হোৱা এই যুৱ-মহোৎসৱভাগি প্ৰকৃতপক্ষেই সফল হৈছে বুলি মই অনুভৱ কৰিছোঁ । মই দুলীয়াজান মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উত্তৰোত্তৰ মংগল কামনা কৰিলোঁ ।

ড° বলীন সন্দিকৈ, তত্বাৱধায়ক তথা

সহযোগী অধ্যাপক, অসমীয়া বিভাগ ,মনোহৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ডিব্ৰুগড়

## 29th January 2026: Events Covered

### PURNAKANTA HAZARIKA MEMORIAL STAGE

- **FOLK DANCE (GROUP)**
  Participants – 39 groups
  Judges – Probin Kumar Saikia, Monikanchan Konwar, Dreamly Gogoi, Rubul Gogoi
- **ONE ACT PLAY**
  Participants – 10 Groups
  Judges – Pankajjyoti Bhuyan, Ashim Kumar Sharma, Bibhuti Bhushan Hazarika, Rupantar Borpatragohain

### K.B. KANUGA MEMORIAL STAGE

- **BORGEET**
  Participants – 40
  Judges – Upen Borgayan, Anudhriti Mahanta and Paramananda Kakati Borbayan
- **KHOL BADAN**
  Participants – 22
  Judges – Upen Borgayan, Anudhriti Mahanta and Paramananda Kakati Borbayan

### DIPAK GOGOI MEMORIAL STAGE

- **MODERN SONG**
  Participants – 39
  Judges – Prashanta Rajkhowa, Dipak Gogoi, Gautam Sharma

### BIREN CHUTIA MEMORIAL STAGE

- **ELOCUTION**
  Participants – 25
  Director of Elocution – Prof. Satyakam Borthakur
  Judges – Abhisekh Kabra, Raktim Ranjan Baruah
- **DEBATE**
  Participants – 32 groups
  Chairperson – Prof. Satyakam Borthakur
  Judges – Dr. Manprative Baruah, Abhisekh Kabra, Raktim Ranjan Boruah

### OPEN STAGE

- **CLAY MODELING**
  Participants – 25
- **INSTALLATION**
  Participants – 23 Colleges
- **RANGOLI**
  Participants – 29
  Judges – Humen Saikia, Deva Krishna Boruah, Sutapa Chowdhury
- **ON SPOT PHOTOGRAPHY**
  Participants – 19
  Judges – Mridupaban Phukan, Saurav Duwarah

# ভিন্নজনৰ অভিমত



নমস্কাৰ মই প্ৰশান্ত ৰাজখোৱা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়ৰ যুৱ মহোৎসৱলৈ বিচাৰক হিচাপে আমন্ত্ৰিত হৈ আহিছোঁ । জীৱনত পোনপ্ৰথমবাৰৰ বাবে যুৱ মহোৎসৱত মই বিচাৰকৰ দায়িত্ব লাভ কৰিছোঁ । যুৱ মহোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ খুবেই সুন্দৰ । কোনোক্ষেত্ৰত কিছুমান মহাবিদ্যালয়ৰ পাৰ্ফমেন্সে আমাক নিৰাশ কৰে।

কিন্তু কিছু মহাবিদ্যালয়ৰ পাৰ্ফমেন্স ইমানেই উন্নত মানৰ যে তেওঁলোকক চূড়ান্ত পৰ্যায়ৰ বাবে নিৰ্বাচিত কৰিবলৈ আমি বিবুধিত পৰোঁ । তাৰমাজতে আমি বিচাৰকৰ দায়িত্বৰে সুন্দৰকৈ পৰিচালনাৰে প্ৰতিযোগিতাখনি আগবঢ়াই লৈ গৈছোঁ। এই যুৱ মহোৎসৱ আয়োজনৰ ক্ষেত্ৰত দুলীয়াজান মহাবিদ্যালয়ৰ সু-ব্যৱস্থাপনাৰ শলাগ লৈছোঁ।

**প্ৰশান্ত ৰাজখোৱা**
বিশিষ্ট সংগীতজ্ঞ



যিকোনো মহোৎসৱেই হ'ল সম্প্ৰীতিৰ মিলনভূমি অথবা উৎকৰ্ষ সাধনৰ এক কেন্দ্ৰবিন্দু। প্ৰতিভা বিকাশ, সাংস্কৃতিক বিনিময় আৰু সংহতি ৰক্ষাৰ বাবে অপৰিহাৰ্য যুৱ মহোৎসৱ। এই মহোৎসৱত বিভিন্ন মহাবিদ্যালয়ৰপৰা বহু ছাত্ৰ-ছাত্ৰী আহি বিভিন্ন শিতানত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিকভাৱেও বিকাশ ঘটিছে । এইধৰণৰ যুৱ মহোৎসৱ সাংস্কৃতিক উত্তৰাধিকাৰ সংৰক্ষণত বিশেষ সহায়ক হোৱাৰ লগতে প্ৰদৰ্শিত বিভিন্ন জনগোষ্ঠীয় সাজপাৰ, লোকনৃত্যৰ জৰিয়তে নিজৰ পৰম্পৰা জীয়াই ৰাখিবলৈ সহায় কৰে। এনেধৰণৰ মহোৎসৱৰ পৰাই বহু ভাল ভাল শিল্পী সৃষ্টি হোৱাৰ উদাহৰণ আছে। ইয়াতে বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেষ্ঠ পাৰ্ফমেন্স চাবলৈ সুযোগ পোৱা যায় ।শ্ৰেষ্ঠ প্ৰতিযোগীৰ শ্ৰেষ্ঠ পাৰ্ফমেন্স চাবলৈ পালে আন আন ছাত্ৰ-ছাত্ৰীসকলেও মানসিকভাৱে উদগনি লাভ কৰে। আমিও গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা কালত যুৱ মহোৎসৱৰ নাটকৰ শিতানত অংশগ্ৰহণ কৰিবলৈ গৈছিলোঁ। মহোৎসৱত বিভিন্ন শ্ৰেষ্ঠ নাটক আৰু অভিনয় দেখি নিজকে শ্ৰেষ্ঠত্বৰ ফালে লৈ যাবলৈ সংকল্প লৈছিলোঁ । শেষত ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্বল কামনা কৰাৰ লগতে দুলীয়াজান মহাবিদ্যালয়ৰ সুন্দৰ আয়োজনক ধন্যবাদ জনাইছোঁ।

**যদুমণি দত্ত**
ৰজত কমল বঁটা বিজয়ী পৰিচালক,বিশিষ্ট অভিনেতা আৰু প্ৰযোজক



মই প্ৰথমবাৰৰ বাবে ইনচাৰ্জ হিচাপে আহিছোঁ। যুৱ–মহোৎসৱত অংশগ্ৰহণ কৰি খুব এটা ভাল অভিজ্ঞতা লাভ কৰিছোঁ। ছাত্ৰ–ছাত্ৰীসকলে এই যুৱ–মহোৎসৱৰ জৰিয়তে এখন সুন্দৰ মঞ্চ লাভ কৰিছে, য'ত তেওঁলোকে সুপ্ত প্ৰতিভাসমূহ বিকশাই তুলিবলৈ সক্ষম হৈছে। ভিন্ন ঠাইৰ ভিন্ন মহাবিদ্যালয়ৰপৰা ছাত্ৰ–ছাত্ৰীসকল আহি একেখন মঞ্চত সমবেত হৈছেহি। জাতি–জনগোষ্ঠীৰ বিভিন্ন লোকনৃত্য, লোক–পৰম্পৰাসমূহ প্ৰদৰ্শিত হৈছে । এইদৰে ছাত্ৰ–ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক সমন্বয় ঘটিছে। অতি ভাল লগা কথা যে, এইবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ–মহোৎসৱত আমাৰ মাজৰপৰা হেৰাই যোৱা চিঠি লিখা অভ্যাসটো পুনৰায় ঘূৰাই অনা দেখা পোৱা গৈছে। ছাত্ৰ–ছাত্ৰীসকলৰ মাজত 'নীলা খামৰ চিঠি' শীৰ্ষক চিঠি লিখা প্ৰতিযোগিতা আয়োজন কৰাত সুখী হৈছোঁ। একেদৰে এইবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ব্যংগধৰ্মী চুটি নাট (Skit) প্ৰতিযোগিতা আৰম্ভ কৰিছে । সামগ্ৰিকভাৱে দুলীয়াজান মহাবিদ্যালয়ৰ সুন্দৰ আয়োজনত আমি সুখী হৈছোঁ।

**মৌচুমী বৰপাত্ৰ গোহাঁই**
ধেমাজি মহাবিদ্যালয়ৰ তত্ত্বাৱধায়ক

# মহীৰুহ স্মৰণ

## বীৰেন চুতীয়া



উজনি অসমৰ অন্যতম শিক্ষানুষ্ঠান দুলীয়াজান মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষভাৱে অৱদান আগবঢ়োৱা এজন উল্লেখযোগ্য ব্যক্তি হৈছে বীৰেন চুতীয়াদেৱ। এগৰাকী সচেতন ব্যক্তি হিচাপে সমাজৰ বিভিন্ন কামত তেখেতে আগভাগ লৈছিল। তেখেতে টেঙাখাট কলেজত শিক্ষাদান কৰি থকাৰ সময়ত বৃহত্তৰ দুলীয়াজান অঞ্চলত এখন মহাবিদ্যালয় স্থাপন কৰাৰ কথা চিন্তা কৰে আৰু তেখেতৰ বন্ধু তীৰ্থ হাজৰিকাদেৱৰ সৈতে এই বিষয়ত আলোচনা কৰে।গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰা চুতীয়াদেৱ আছিল ১৯৬৯ চনৰ ৩১ জুলাই তাৰিখে দুলীয়াজানত প্ৰতিষ্ঠা হোৱা দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগ অধ্যাপক হিচাপে যোগদান কৰা প্ৰথমগৰাকী ব্যক্তি। তেওঁ আছিল দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ। ২০০৩ চনৰ ৩১ মে'ত অৱসৰ গ্ৰহণ কৰা এইগৰাকী অধ্যাপকে পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বও গ্ৰহণ কৰিছিল। এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী বীৰেন চুতীয়াদেৱ আছিল এক প্ৰচণ্ড শক্তিৰ উৎস, যি শক্তিয়ে অতি কম সময়ৰ ভিতৰতে কলেজখনক দ্ৰুত প্ৰগতিৰ দিশেৰে ধাবমান কৰিছিল। তেখেতৰ জীৱনৰ সমস্ত এষণা-বাসনা আৰু লক্ষ্য একাকাৰ হৈ গৈছিল কলেজখনৰ প্ৰগতিত। তদুপৰি তেখেতৰ নেতৃত্বত দুলীয়াজানৰ বহু অনুষ্ঠান জীপাল হৈ উঠিছিল।

## জ্যোতি প্ৰসাদ চেতিয়া

স্বৰ্গীয় জ্যোতি প্ৰসাদ চেতিয়াদেৱৰ জন্ম হৈছিল ১৯৬০ চনৰ ১জুলাই তাৰিখে। তেওঁ আছিল সমাজৰ এজন সচেতন ব্যক্তি, শিক্ষা-সাহিত্যৰ লগত ওতপ্ৰোতভাৱে জড়িত, গঠনমূলক, বিজ্ঞানভিত্তিক লেখাৰে চিন্তাৰ খোৰাক যোগাৱা লেখক, মননশীল কবিতাৰ স্ৰষ্টা, জ্যেষ্ঠ আৰু যোগ্যজনক সন্মান আৰু বন্ধু আৰু কণিষ্ঠজনক অন্তৰৰ মৰম বিলোৱা মহানুভৱী ব্যক্তি।



**কৰ্মজীৱন :**

- নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় -১৯৮৪,
- দুলীয়াজান মহাবিদ্যালয় ১৯৮৬,
- ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দয়িত্ব- ২০১৭ চনৰ ১ মাৰ্চ,
- অৱসৰ গ্ৰহণ - ২০১৯ চনৰ ৮ ছেপ্টেম্বৰত।
- ১৯৮০-ৰ দশকতে তেওঁ দুলীয়াজান মহাবিদ্যালয়ত যোগ দিছিল। তেওঁ মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব লৈ আন্ত:গাঁথনিৰ অনেকখিনি পৰিৱৰ্তন সাধন কৰি থৈ গ'ল।
- ২০২২ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে।

## ডঃ দীপক গগৈ



স্বৰ্গীয় ডঃ দীপক গগৈদেৱৰ জন্ম হৈছিল ১৯৬৮ চনৰ ৯ এপ্ৰিলত।তেখেতৰ মাত্ৰ ৪৮ বছৰীয়া জীৱনকালটো আছিল বহু বৰ্ণময়। বিবিধ বৈশিষ্ট্যৰ সমাহাৰে ব্যক্তিগৰাকীক এক অনন্য ব্যক্তিত্বৰ অধিকাৰী কৰি তুলিছিল। দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক গগৈদেৱৰ সদা হাস্যমুখী ব্যক্তিত্বই সকলোকে আকৰ্ষিত কৰিছিল। লেখক হিচাপেও তেখেতৰ এটা পৰিচয় আছিল। প্ৰান্তিককে ধৰি বিভিন্ন কাকত-আলোচনীত তেখেতৰ লেখা প্ৰকাশ পাইছিল। 'ভাষা সাহিত্য সংস্কৃতিৰ বিবিধ বৈভৱ' তেখেতৰ প্ৰকাশিত প্ৰবন্ধ পুথিৰ নাম। কেইবাটাও ভাষা জনা তথা লোক-শিল্পত পাৰ্গত গগৈদেৱ কঠিন ৰোগত আক্ৰান্ত হৈ ২০১৬ চনৰ ২ মে' তাৰিখে বৈকুণ্ঠগামী হয়।

# দুলীয়াজান মহাবিদ্যালয়ে আয়োজন কৰা প্ৰবন্ধ আৰু  চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাৰ ফলাফল




## প্ৰবন্ধত সৰুপথাৰ মহাবিদ্যালয়ৰ দুলেশ্বৰ শইকীয়া আৰু চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত  ডিব্ৰুগড়ৰ ডি.এইস.এস. কানৈ মহাবিদ্যালয়ৰ বিৰাজ বল্লভ গগৈৰ প্ৰথম স্থান দখল

'জুবিন গাৰ্গৰ সমন্বয় ক্ষেত্ৰ'ৰ পৰা যুবাঙ্গনৰ প্ৰতিনিধি,৩০ জানুৱাৰী: ডিব্ৰুগড় বিশ্ববিদ্যালয় ২০২৫-২৬ বৰ্ষৰ আন্ত:মহাবিদ্যালয় যুৱ-মহোৎসৱৰ সৈতে সংগতি ৰাখি দুলীয়াজান মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহৰ মাজত আয়োজন কৰা প্ৰবন্ধ আৰু  চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাৰ ফলাফল আজি ঘোষণা কৰা হয়।  এই অনুসৰি 'জুবিন গাৰ্গৰ গীতত প্ৰেমৰ চিত্ৰণ' শীৰ্ষক প্ৰবন্ধ প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ দুলেশ্বৰ শইকীয়াই প্ৰথম স্থান, টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ ধ্ৰুৱজিৎ শইকীয়াই দ্বিতীয় আৰু লখিমপুৰ গাৰ্লচ কলেজৰ ছাত্ৰী  অলী চাবুকধৰা আৰু দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰিয়া খনিকৰে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। আনহাতে 'জুবিন গাৰ্গ পৰিচালিত অসমীয়া চলচ্চিত্ৰ' শীৰ্ষক চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত  ডিব্ৰুগড়ৰ ডি.এইস.এস. কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ বিৰাজ বল্লভ গগৈয়ে প্ৰথম, দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰিয়া খনিকৰে দ্বিতীয় আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ দুলেশ্বৰ শইকীয়াই তৃতীয় স্থান লাভ কৰে। কাইলৈ দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'বলগীয়া বঁটা বিতৰণী আৰু সামৰণী অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

## অনুভৱৰ টোকা



ঐতিহ্যমণ্ডিত দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে যুৱ-মহোৎসৱৰ লগত বহু পাহৰিব নোৱাৰা স্মৃতি জড়িত হৈ আছে। তিনিবছৰীয়া (২০২২-২৫ বছৰলৈকে) কলেজীয়া জীৱনৰ কালছোৱাত তিনিবাৰকৈ যুৱ-মহোৎসৱত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবোঁ। ২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱ এইবাৰ আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাৰ বাবে অতিকৈ আনন্দিত হৈছোঁ। সঁচাকৈয়ে যুৱ-মহোৎসৱ বুলিলে এক এৰাব নোৱাৰা, মধুৰ নিচা। এইবাৰৰ যুৱ-মহোৎসৱ সৰ্বাংগসুন্দৰ তথা সফলৰূপে পৰিগণিত হ'ব আৰু লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত আমাৰ মহাবিদ্যালয়খন পূৰ্বৰ দৰেই পুনৰ উজ্বলি উঠিব বুলি আমি আশাবাদী।

**- কিৰণময়ী বড়া,**

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক (শিক্ষাতত্ত্ব বিভাগ) গুৱাহাটী বিশ্ববিদ্যালয়



ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫-২৬ দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাৰ বাবে আমি অতিশয় গৌৰৱ অনুভৱ কৰিছোঁ। লগতে এই মহান অনুষ্ঠানটিত নিজকে জড়িত কৰিব পৰাতো এক পৰম সৌভাগ্য বুলি বিবেচনা কৰিছোঁ। যুৱ-মহোৎসৱখনিৰ সামগ্ৰিক সফলতা চিৰকাম্য।  এই মহোৎসৱত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যি অভিজ্ঞতা আহৰণ কৰিব, সেই অভিজ্ঞতাই তেওঁলোকৰ ভৱিষ্যত জীৱনক নতুন পথৰ সন্ধান দিব বুলি আমি আশাবাদী। জয়তু ডিব্ৰুগড় বিশ্ববিদ্যালয় , জয়তু দুলীয়াজান মহাবিদ্যালয়।

**-যদুমণি দত্ত**

প্ৰাক্তন সাধাৰণ সম্পাদক ,দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভা,
সাধাৰণ সম্পাদক,  দুলীয়াজান মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা

# বিভিন্ন সমিতি, উপ-সমিতিৰ সদস্যবৃন্দৰ একাংশ


















# দিনটোৰ কিছু স্মৰণীয় মুহূৰ্ত
































ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূৰ্য
পূৰ্বাচলত বজাওঁ তূৰ্য
মোৰ পোহৰৰ গানে
আকাশে আকাশে,
দেশে মহাদেশে
মুগ্ধ কৰিব আলোকযাত্ৰী
শেষ হ'ব শেষ নোহোৱা ৰাত্ৰি
কৰিম জগত জয়
নবীন সূৰ্য মই৷














*সম্পাদকীয়*

# সাংস্কৃতিক চৰ্চা আৰু ঐতিহ্য-চেতনা

'নতুনৰ পূজা' শীৰ্ষক অভিভাষণত জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল যে 'সংস্কৃতি হৈছে সুন্দৰৰ পূজা'। তেখেতৰ মতে এই সুন্দৰ কেৱল ৰোমাণ্টিক বিলাস নহয়। জ্যোতিপ্ৰসাদৰ সুন্দৰ হৈছে সৎ চিন্তা-ভাৱনা আৰু গতিশীল সৃষ্টিৰে সজাই তোলা কলাত্মক জীৱন। জীৱনৰ সৈতে সৌন্দৰ্য আৰু সংস্কৃতিৰ কেনে সম্পৰ্ক ঘটিব লাগে তাৰ ব্যাখ্যা কৰি জ্যোতিপ্ৰসাদে কৈছে যে বাস্তৱ জীৱনৰ সকলোতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে মানুহৰ মন আৰু হৃদয়ো সৌন্দৰ্যময় হ'ব লাগিব। এই বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োৰে উৎকৰ্ষ আৰু তাত সৌন্দৰ্য প্ৰয়োগ হ'লেই মানুহৰ সংস্কৃতিয়ে পূৰ্ণ ৰূপ পায়। জ্যোতিপ্ৰসাদে সেয়ে কৈছে – 'এজন মানুহ যদি সুকুমাৰ কলাৰ সৃষ্টিত অভিনৱ সৌন্দৰ্য সৃষ্টি কৰিব পৰা হৈও, মানুহৰ সৈতে ব্যৱহাৰত আৰু সম্বন্ধত মানসিক সুগুণবোৰ প্ৰকাশ কৰিব নোৱাৰে তেন্তে সেই মানুহজনৰ সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব'।

জ্যোতিপ্ৰসাদৰ সমগ্ৰ সৃষ্টি আৰু চেতনাত ঐতিহ্য-চেতনা আৰু আধুনিক দৃষ্টিভংগীৰ সু-সমন্বয় ঘটিছিল। তেনেকৈয়ে তেখেতে আধুনিক অসমীয়া সংগীতৰ এটা নতুন ধাৰাৰ জন্ম দিছিল। অসমৰ লোক-সংগীতৰ সুৰ, ভাৰতীয় ৰাগ-সংগীতৰ বৈশিষ্ট্য আৰু পাশ্চাত্য সংগীতৰ সুৰ-বিশিষ্টতাৰে তেখেতে অসমীয়া সংগীতৰ নতুন ধাৰা প্ৰৱৰ্তন কৰিছিল।

প্ৰকৃততে সংস্কৃতি কেৱল এটা তত্ত্ব বা দৰ্শন নহয়। সংস্কৃতি হ'ল মানুহৰ বাহিৰ-ভিতৰ উভয়কে সামৰি লোৱা এক সুন্দৰ আৰু গতিশীল জীৱন পদ্ধতি। আধ্যাত্মিক দৰ্শনত যেনেকৈ সূক্ষ্ম আৰু স্থূল দুটা দিশ থাকে, তেনেকৈ মানুহৰ অন্তৰ আৰু বাহ্য – এই দুয়োটা জীৱনক কলাময় ৰূপ দিব পাৰিলেহে যথাৰ্থ সংস্কৃতি গঢ় লৈ উঠিব পাৰে। আমি হ'ব লাগিব তেনেধৰণৰ সংস্কৃতিৰ উপাসক। সংস্কৃতিৰ কৰ্ষণ নকৰিলে দুষ্কৃতিয়ে মানুহৰ মন আৰু হৃদয় আচ্ছন্ন কৰি পেলায় আৰু মানুহে অসত্যক সত্য বুলি ভ্ৰমিত হয়। দুষ্কৃতিক বিনাশ কৰিবলৈকে আমি কৃষ্ণ সংস্কৃতিৰ সাধক হ'ব লাগিব।

পৃথিৱীখনক সুন্দৰ কৰি ৰাখিবলৈ, মানুহৰ মনবোৰক সজীৱ কৰি ৰাখিবলৈ সাংস্কৃতিক চৰ্চা অনিবাৰ্য। এই চৰ্চাৰ আধাৰ হ'ব লাগিব আমাৰ বৰ্ণাঢ্য ঐতিহ্য। তাক পাহৰি আমাৰ শিপাৰ লগত সম্বন্ধ নথকা সংস্কৃতিৰ পোষকতা কৰাৰ কোনো সামাজিক মূল্য অনুভৱ কৰা নাযায়। এইক্ষেত্ৰত আমাৰ যুৱ-প্ৰজন্ম সচেতন আৰু দায়বদ্ধ হ'ব লাগিব। এই কথাত কোনো সন্দেহ নাই যে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ তেনে এক বিশাল মঞ্চ য'ত সঁচা অৰ্থত আমি সাংস্কৃতিক চৰ্চা কৰাৰ সুযোগ পাওঁ। আহক আমি সকলোৱে আমাৰ শিপাসন্ধানী আলোকময় সংস্কৃতি চৰ্চাৰে মানৱতাৰ জয়গান গাওঁ।

**সম্পাদনা সমিতি :**

**উপদেষ্টা :**
- ড° লোক বিকাশ গগৈ

**সম্পাদক :**
- ড° চিত্ৰজিৎ শইকীয়া

**সহযোগী সম্পাদক :**
- মনোজ কুমাৰ ডেকা
- ৰূপজ্যোতি বৰদলৈ

**সদস্য :**
- ড° পপী হাজৰিকা
- গৌৰৱ সেনগুপ্ত
- জয়ন্ত ভূঞা
- ড° উৰ্বী দেৱী
- ড° মনচুমী গগৈ
- ড° ভাগ্যলক্ষ্মী বৰুৱা
- ড° অম্বালিকা বৰঠাকুৰ
- ড° জ্যোতি গগৈ
- চিদ্দিকা বানু
- অভিজিৎ সাহা
- কৃষ্ণা গগৈ
- সুৰজিৎ গগৈ
- অনুৰাগ ৰাভা
- দেৱজিত ডেকা
- গুলাইনা কোঁৱৰ
- বনচুমি বৰুৱা
- তিতিক্ষা সোণোৱাল
- ৰাণীপ্ৰিয়া বৰুৱা
- দেবিকা কেওঁট